প্ৰশ্ন: ১৫ → 'কফন' নামৰ চুটিগল্পটোত কাহিনী আৰু চৰিত্ৰ সৃষ্টি সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১৫

Ans: প্ৰেমচান্দ বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ ভাৰতীয় উপন্যাসৰ নায়কাৰী অপ্ৰতিদ্বন্দ্বী কলাকাৰ আৰু সাহিত্য-নিৰ্মাতা। প্ৰেমচান্দৰ আচল নাম মুন্সী ধনপত ৰায়। বাৰানসীৰ উত্তৰৰ লমহী নামৰ গাঁও এখনত ১৮৮০ খ্ৰী:ৰ ৩১ জুলাইত প্ৰেমচান্দৰ জন্ম হয়। ঔপন্যাসিক আৰু গল্পকাৰৰ ৰূপতেই তেওঁৰ খ্যাতি অধিক যদিও নাটক, প্ৰবন্ধ, জীৱনী, শিশু সাহিত্য আদি অনেক প্ৰকাৰৰ সাহিত্য আৰু চলেমান দেশী আৰু বিদেশী সাহিত্যৰ হিন্দী অনুবাদেৰে তেওঁৰ বিশাল সাহিত্যিক ব্যক্তিত্ব নিৰ্মিত হৈছিল। বিভিন্ন সময়ত তেওঁ ৫ খন বাতৰি কাকতৰ সম্পাদনাৰ দায়িত্ব বহন কৰা কাৰ্যই তেওঁৰ ব্যক্তিত্বৰ অন্য এক দিশ উন্মোচিত কৰে।

প্ৰেমচান্দৰ গল্পৰ সংখ্যা প্ৰায় তিনিশ। এইসমূহ 'প্ৰেম পূৰ্ণিমা', 'প্ৰেম পচিশী', 'প্ৰেম দ্বাদশী', 'প্ৰেম প্ৰতিমা', 'মানসৰোবৰ', 'সমৰযাত্ৰা', 'প্ৰেম তীৰ্থ' ইত্যাদিত সংকলিত হৈছে।

প্ৰেমচান্দে গল্পৰ যোগেদি অভাৱ-অনাটনক্লিষ্ট ভাৰতীয় জনসাধাৰণৰ যাতনা-বেদনা, আৰু আশা-আকাংক্ষা মূৰ্ত কৰিবলৈ যত্ন কৰিছে। তেওঁ দৰিদ্ৰ, কুসংস্কাৰাচ্ছন্ন আৰু অৱহেলিত সমাজৰ সাংসাৰিক জীৱনৰ ছবি অতি দক্ষতাৰে গল্পৰ যোগেদি প্ৰকাশ কৰিছে। তেওঁৰ দ্বাৰা সৃষ্ট প্ৰতিটো চৰিত্ৰ নিজৰ বাস্তৱ অভিজ্ঞতাৰ দ্বাৰা অংকিত। সেয়েহে এইবোৰ জীৱন্ত। ইন্দ্ৰনাথ মদান নামৰ এজনে আলোচকলৈ লিখা এখন চিঠিত তেওঁ লিখা মতে, " মোৰ বেছিভাগ চৰিত্ৰই বাস্তৱ জীৱনৰ পৰা অনা। অৱশ্যে এইবিলাক সহায়ে ঢাকিব নোৱাৰাকৈ পৰ্দাৰে ঢাকি ৰখা হৈছে। কোনো চৰিত্ৰৰ কিছু বাস্তৱিক আধাৰ নথকালৈকে সি ধোঁৱাৰ নিচিনা অনিশ্চিত ৰূপত থাকে আৰু তাতে চৰিত্ৰৰ বিশ্বাসযোগ্যতা নাথাকে।" উল্লেখযোগ্য যে বিশ্বাসযোগ্য কাহিনী আৰু চৰিত্ৰ সৃষ্টিত প্ৰেমচান্দৰ বিশেষ দক্ষতা আছিল। 'কফন' গল্পটোও তাৰ ব্যতিক্ৰম নহয়।

দাৰিদ্ৰ্য অলসতাৰ আগত গাহৰিৰ দৰে লেটি লৈ থকা মানুহৰ চিত্ৰ প্ৰকাশ পাইছে কফন গল্পত। স্বাৰ্থপৰতা আৰু লোভৰ উৎকট মায়াপাশত বন্দী বাস্তৱ দায়িত্বজ্ঞানশূন্য এহাল পিতা-পুত্ৰৰ বাবে কেনেদৰে তেওঁলোকৰ একমাত্ৰ বোৱাৰীয়ে বিনা-চিকিৎসাৰে প্ৰসৱ যন্ত্ৰণাত প্ৰাণত্যাগ কৰিলে আৰু তাৰ পৰৱৰ্তী পৰ্যায়ত মানৱীয় অনুভূতিশূন্য পিতা-পুত্ৰই 'কফন'ৰ ব্যৱস্থা কৰাৰ পৰিবৰ্তে কেনেদৰে উদৰ-পূৰণৰ চিন্তাতেই অসংলগ্ন আচৰণ কৰি সময় অতিবাহিত কৰিলে তাৰ এক মৰ্মান্তিক চিত্ৰ অংকন কৰি পাঠকৰ সহানুভূতি উদ্ৰেক কৰিবলৈ সক্ষম হৈছে।

কাহিনী আৰু চৰিত্ৰ সৃষ্টিৰ ফালৰ পৰা এই গল্পটো এটা সাৰ্থক চুটিগল্প।

এদিন কাম কৰি দুদিন লাঘোনে থাকি বিশ্ৰাম লৈ লখোনে থকা অলস পিতা-পুত্ৰ

Scanned with CamScanner

দুয়োৰে হৈছে মাধৱ আৰু ঘীচু। ঘৰৰ ভিতৰত মাধৱৰ পত্নী বুধিয়াই প্ৰসৱ বেদনাত ছটফটাই আছে। কিন্তু তেনে সংকটজনক পৰিস্থিতিতো দুয়ো পিতা পুত্ৰই নিশ্চিন্ত মনে জুই পুৱাই আছে। সিহঁতৰ কথা বতৰা আৰু আচৰণ অদ্ভুত। আনকি চুবুৰীয়া লোকে তাক কেইবাবাৰো যাবলৈ নিৰ্দেশ দিয়াৰ পিছতো সি পত্নীৰ দুৰাৱস্থাৰ বাবে তাইৰ ওচৰত মানসিক উপস্থিত হ'বলৈ সন্মত হোৱা নাই। মাধৱে কৈছে —

" মৰিবই যদি ওলাইছে তেন্তে সোনকালে কিয় মৰি নাযায়! চাই কি কৰিম?"

পত্নীৰ আৰ্তনাদ শুনিও দুয়োৰে জুইত আলু পুৰি খাই আছে। বাপেকে বেছিকৈ আলু খাই পেলোৱাৰ ভয়তে মাধৱ ভিতৰলৈ উঠি যোৱা নাই।

নিজৰ ঘৈণীয়েকে প্ৰসৱ বেদনাত ছটফটাই যন্ত্ৰণা-কাতৰ চিঞৰ কৰাৰ সময়তো যিগৰাকী স্বামী নিৰ্বিকাৰ হৈ ঘৰৰ দুৱাৰ মুখত নিশ্চিন্ত মনেৰে আলু পুৰি খাই সময় অতিবাহিত কৰিব পাৰে, তাঁক নিষ্ঠুৰতাৰ নিদৰ্শন আন একোৱে ভাবিব নোৱাৰে।

ঘীচু আৰু মাধৱ দুয়ো আছিল আৰামপ্ৰিয়, নলেহুৱা, নিদ্ৰাপ্ৰিয়, অশলাগী, অকৰ্মণ্য আৰু নিৰ্লজ্জ। গাঁৱত খেতিৰ কামৰ অভাৱ নাই, কিন্তু সিহঁতে ক'তো কাম নাপায়। মাধৱৰ বিয়াৰ পিছৰে পৰা বাপেক পুতেকৰ অকৰ্মণ্যতা আৰু বাঢ়িছে। একো যোগাৰ কৰিব নোৱাৰিলে নিষ্কৰ্মা ঘীচুৰ পদাংক অনুসৰণ কৰি আনৰ বাৰীৰ পৰা আলু, মটৰ আৰু কুঁহিয়াৰ খাই জীৱন অতিবাহিত কৰা মাধৱক লেখকে যেনে ঘীচুৰ 'সু-পুত্ৰ' বুলি উল্লেখ কৰিছে :

"ঘীচুৱে এইদৰে ষাঠিটা বছৰ অতিবাহিত কৰিছিল আৰু সুপুত্ৰ মাধৱে অকল বাপেকৰ পদাংকহে অনুসৰণ কৰা নহয় — বাপেকৰ নাম দুগুণে উজ্জ্বল কৰি দিন অতিবাহিত কৰিছিল।"

আনহাতে, নিদ্ৰা আৰু মৈথুনৰ চিন্তাতে নিমগ্ন হৈ দুটি প্ৰাণী যে সম্পূৰ্ণ মানৱীয় অনুভূতিশূন্য তাৰ নিদৰ্শন হ'ল একেদৰে উদৰ পূৰণৰ চিন্তাত ব্যস্ত থকা আৰু "সোনকালেই (বুধিয়া) মৰি গ'লেই ৰক্ষা, দুয়ো ভালদৰে এখুমটি মাৰি ল'ব পাৰিব" বুলি কৰা ভাবনা।

গল্পকাৰে মাধৱহঁতৰ ঘৰখনৰ লাগুলোৱা অৱস্থাৰ চিত্ৰ অতি সুন্দৰকৈ প্ৰকাশ কৰিছে —

" ঘৰত মাটিৰ দুই-চাৰি বাচন-বৰ্তনৰ বাহিৰে কোনো সম্পত্তি নাই। ফটা-ছিটা কাপোৰেৰে ঢাকিছিল নিজৰ নগ্নতা।"

সিদিনা ৰাতিপুৱা যন্ত্ৰণাত ছটফটাই বুধিয়া মৰি থাকিল। তেতিয়া মাধৱ আৰু ঘীচুৱে হায় হায় কৰি ঘৰিয়ালৰ চকুপানী টুকিলে। সিহঁতৰ কৃত্ৰিম কান্দোনত সান্ত্বনা দিলে প্ৰতিবেশীয়ে। তেওঁলোকৰ সেই সময়ৰ অৱস্থা বৰ্ণনা কৰি গল্পকাৰে লিখিছে :

" ... অৱশ্যে বেছি কন্দা-কটা কৰাৰ আৰু সময় নাছিল। কাফন আৰু খৰিৰ যা-যোগাৰ কৰিব লাগিব। হাতত এটাও পইচা নাই। চিলনীৰ সন্মুখত মাংসৰ যি অৱস্থা হয় — ঘৰত দুয়োৰো আগত থকা টকা-পইচাৰো একেই অৱস্থা হয়।"

Scanned with CamScanner

শেষত সিহঁতে টকা বিচাৰি জমিদাৰৰ শৰণাগত হ'ল। সিহঁতক দেখি জমিদাৰে সুধিলে : "ক্যা হ্যায় ৰে ঘিসুৱা। বোলো কিৎ ~~কৈসা~~ হ্যায়... অব তু তো কহি দিখাই ভী নহী দেতা।" পানীত পৰা মানুহৰ বাবে খেৰ কুটা লগদিও আশ্ৰয় হোৱাৰ দৰেই বুধিয়াৰ দেহ সংস্কাৰৰ বাবে সিহঁতে নতিয়া জমিদাৰৰ প্ৰয়োজন হৈছে। তাৰ পাছত সকলো শুনি জমিদাৰে সিহঁতক দুটা টকা দিলে। জমিদাৰে টকা দিছে বুলি জানিব পাৰি আন আন মহাজনসকলেও কোনোবাই দুই অনা, কোনোবাই চাৰি অনা দিলে আৰু এনেদৰেই এঘণ্টাৰ ~~মধ্যে~~ ভিতৰতে পাঁচ টকা সংগ্ৰহ হ'ল।

ইয়াৰ পিছত দুয়ো কাফন কিনিবলৈ গ'ল। কিন্তু কাফন কিনাৰ পৰিৱৰ্তে দুয়ো পিতা-পুত্ৰই মদুশালাত আনন্দৰে উৎফুল্লিত হৈ উঠিল। ঘীচুৰ মতে, "কাফিন লগত দি কি লাভ? শেষত ছাই হৈ যায়।"

এনেদৰে গল্পকাৰে পৰম্পৰাগত মূল্যবোধ, ৰীতি নীতিৰ ওপৰতো আলোকপাত কৰিছে। সামাজিক পৰম্পৰা মতে, পৰিয়ালৰ কোনো ব্যক্তিৰ মৃত্যু হ'লে শ্ৰাদ্ধ-পাৰ্বণ পৰিয়ালৰ লোকসকলে অশৌচ পালন কৰে আৰু নিৰ্দ্ধাৰিত ৰীতি অনুসাৰে ব্ৰত-উপবাস পালন কৰি ক্ৰিয়াকাণ্ড কৰে। কিন্তু ঘীচু আৰু মাধৱে 'কফিন' যোগাৰ কৰিবলৈ গৈ মদুশালাত তৃপ্তি সহকাৰে পান ভোজন কৰিছে। গল্পকাৰৰ ভাষাত,

"অৰন্যৰ শকুনে হেঁপাহেৰে চিকাৰ ভক্ষণ কৰি থকাৰ দৰে দুয়ো নৰ অসম্ভত আৰামেৰে বহি লুচি ভক্ষণ কৰি আছিল।"

ধৰ্ম সংস্কাৰৰ প্ৰতিবাদত মাধৱে কৈছে— "কেনেকুৱা বেয়া নিয়ম এইবোৰ। জীয়াই থকাত শৰীৰ ঢাকিবলৈ মলিন ফটা কানিও যোৱা নাযায় আৰু মৰাৰ পিছত নতুন কাপোৰ লাগে।"

এনেদৰে হেঁপাহেৰে ভোজন কৰি থকাৰ সময়তে সিহঁতৰ ধাৰণা হ'ল যে, বুধিয়া যদি গৈ সিহঁতক সিহঁতে ইমান ভাল ভাল খাদ্য আনি দিলে যে তাই স্বৰ্গলৈ যোৱাটো খাটাং। সিহঁতৰ মতে, বুধিয়া স্বৰ্গলৈ নগৈ গৰীব-দুখীয়াক দুহাতেৰে লুণ্ঠন কৰি যোৱা শকত আৰত লোকসকল জানো স্বৰ্গলৈ যাব? ইয়াৰ মাজেৰে প্ৰশ্নবোৰে প্ৰতিবাদৰ সুৰ স্পষ্ট হৈ উঠিছে।

মদৰ নিচাৰ অস্থিৰতাৰ মাজতো মাধৱৰ মনলৈ দুখ আৰু খাতাবোধ অহাত সি চিঞৰি কান্দিবলৈ ধৰিলে। ঘীচুৰ সান্ত্বনাবাণীত লাহে লাহে সি প্ৰকৃতিস্থ হ'লেও শেষলৈ দুয়ো আপোন সাহৰাই বিবিধ ভংগীৰে ভাৱ আৰু অভিনয় প্ৰদৰ্শন কৰি নৃত্য কৰিবলৈ ধৰিলে।

এনেদৰে আলোচনা কৰিলে দেখা যায় যে, দৰিদ্ৰই মানৱীয় বিচাৰ বিবেচনা আৰু অনুভূতিক কেনেদৰে ধ্বংসৰ গৰাহলৈ ঠেলি নিয়ে আৰু নৈতিক বিচাৰ শূন্যতাই কেনেদৰে মানুহৰ ব্যৱহাৰ মানুহৰ পৰাৰ পৰা পশুৰ স্তৰলৈ অৱনমিত কৰে— তাৰ

অৰ্থ নিদৰ্শন ঘাচু আৰু মাধৱৰ চৰিত্ৰত পৰিস্ফুট হৈছে। লগতে দুৰ্বিপাকৰ দ্বাৰা নিষ্পেষিত, শোষিত আৰু অৱহেলিত মানুহৰ চৰিত্ৰ গল্পটোত সুন্দৰভাৱে ৰূপায়িত কৰিছে। ঘাচু আৰু মাধৱৰ চৰিত্ৰতাৰ কাৰণে সমাজ ব্যৱস্থা দায়ী বুলি সাব্যস্ত কৰাৰ ইচ্ছা লেখকৰ নাই। সিহঁতৰ অলসতাৰ পৰা উদ্ভৱ হোৱা উদাসীনতাৰ শাস্তি কঠোৰ। কিন্তু এই কঠোৰতা উপলব্ধিৰে যৎসামান্য সিহঁতৰ লোপ পাইছে। আনৰ পৰা সিহঁতে যি ব্যৱহাৰ পায়, তাকে লক্ষ্য কৰিলে অন্তৰত দয়াৰ উদ্ৰেক হয়। কিন্তু সিহঁতৰ দায়িত্বহীনতা আৰু কৰ্মবিমুখতাৰ পৰিণতিয়ে দয়াৰ সলনি কাৰুণ্যৰ সৃষ্টি কৰিছে। ঘাচু আৰু মাধৱৰ দৰে চৰিত্ৰ আমাৰ সমাজত আছে, কিন্তু নিজৰ কোৱাৰী বা ঘৈণীয়েকৰ প্ৰতি শেষ কৰ্তব্য নকৰি আত্মতৃপ্তিত আপোন পাহৰা হোৱা লোক সমাজত বিৰল। প্ৰেমচান্দে কমাই প্ৰকৃততে চৰিত্ৰ দুটিক মানুহৰ পৰ্যায়ৰ পৰা অমানুহৰ পৰ্যায়লৈ অৱনমিত কৰাইছে।

মুঠৰ উপৰত, কাহিনী আৰু চৰিত্ৰ সৃষ্টিৰ ফালৰ পৰা প্ৰেমচন্দৰ 'কাফন' গল্পটো এটা সাৰ্থক চুটিগল্প। দৰিদ্ৰ সমাজৰ তলত বসবাস কৰা মেহনতী মানুহ, দুৰ্বল মানৱ প্ৰবৃত্তি আৰু তেওঁলোকৰ মৌলিক সমস্যা ইমান সুক্ষ্মভাৱে বিশ্লেষণ কৰা হৈছে ~~যে~~, যিয়ে গল্পটোক অসাধাৰণ শিল্পনিপুণতাৰ বাবেৰে উজলাই তুলিছে।

Scanned with CamScanner